ASSAMESE

PAPER—II

(LITERATURE)

নির্ধাৰিত সময় : তিনি ঘণ্টা | সর্বাধিক নম্বৰ : 250

প্রশ্নোত্তৰ বহী সম্পর্কীয় বিশেষ নির্দেশনা

প্রশ্নৰ উত্তৰ কৰাৰ আগতে তলৰ নির্দেশনাখিনি ভালদৰে পঢ়ি লোৱা

প্রশ্নকাকতখনত দুটা শাখাত আঠটা প্রশ্ন দিয়া আছে।

ইয়াৰ ভিতৰত কেৱল পাঁচটা প্রশ্নৰ উত্তৰ কৰা।

প্রশ্ন নং **1** আৰু **5** বাধ্যতামূলক। বাকী তিনিটাৰ কাৰণে প্রত্যেকটো শাখাৰ পৰা কমেও এটাকৈ বাচি লৈ উত্তৰ কৰা।

প্রতিটো প্রশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে।

প্রশ্নৰ উত্তৰ অসমীয়াত কৰা।

শব্দৰ সংখ্যা য'ত যি ধৰণে দিয়া হৈছে, সেই ধৰণে ৰক্ষা কৰা।

প্রশ্নৰ উত্তৰসমূহ ক্রম অনুসৰি কৰা। আধৰুৱাকৈ কৰা প্রশ্নৰ উত্তৰবো মূল্যাঙ্কন কৰা হ'ব। প্রশ্ন সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূর্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰা।

ASSAMESE

PAPER—II

(LITERATURE)

Time Allowed : Three Hours | Maximum Marks : 250

QUESTION PAPER SPECIFIC INSTRUCTIONS

Please read each of the following instructions carefully before attempting questions

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, any THREE are to be attempted choosing at least ONE from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese Script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

Optional Province · optionalprovince.com

SECTION—A

1. তলৰ পাঁচোটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *150*টা শব্দৰ ভিতৰত লিখা : 10×5=50

(a) মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ 'অযোধ্যা কাণ্ড'ত ৰামৰ অভিষেকৰ বতৰা পোৱাৰ পিছত মন্থৰাই কৈকেয়ীক কি মন্ত্ৰণা দিছিল, বিৱৰি লিখা।

(b) শংকৰদেৱৰ 'পাৰিজাত হৰণ' নাটত নাৰদ চৰিত্ৰটিয়ে কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিছে, তোমাৰ ভাষাত লিখা।

(c) 'ৰাসক্ৰীড়া'ক মহাপুৰুষে 'কামজয় নামে ইটো কেশৱৰ কেলি' বুলি কিদৰে প্ৰতিপন্ন কৰিছে, বিচাৰ কৰা।

(d) ''বাৎসল্য প্ৰেম মাধৱদেৱৰ ভক্ত জীৱনৰ সৰ্বহ।'' মাধৱদেৱৰ বৰগীতৰ আধাৰত এই কথাষাৰৰ তাৎপৰ্য বিশ্লেষণ কৰা।

(e) 'কথা-ভাগৱত'ৰ আধাৰত কবিৰত্ন বৈকুণ্ঠনাথ ভট্টাচাৰ্যৰ গদ্যৰীতিৰ প্ৰধান বিশেষত্বসমূহ চমুকৈ লিখা।

2. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ কৰা :

(a) 'গুৰুচৰিত-কথা'ত সমকালীন অসমৰ ধৰ্মীয় আৰু সামাজিক জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, বিশ্লেষণ কৰা। 20

(b) 'ৰাজসূয়' কাব্যখনৰ মাজেৰে মাধৱদেৱৰ কবিত্ব শক্তিৰ পৰিচয় কেনেদৰে ফুটি ওলাইছে, আলোচনা কৰা। 15

(c) মাতৃ কৌশল্যাৰ বুজনি যুক্তিৰে খণ্ডন কৰি ৰামে বনলৈ যাবলৈ প্ৰস্তুত হোৱাৰ সময়ত কৌশল্যাই কিৰূপে পুত্ৰক আশীৰ্বাদ দিছিল, 'অযোধ্যা কাণ্ড'ৰ আলমত বিচাৰ কৰা। 15

3. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ কৰা :

(a) ''শংকৰদেৱে 'পাৰিজাত হৰণ' নাটৰ নাৰী চৰিত্ৰকেইটা পাৰস্পৰিক বৈপৰীত্য (contrast) আৰু সমধৰ্মিতা (parallelism)-ৰ আধাৰত অংকন কৰিছে।'' এই কথাষাৰৰ তাৎপৰ্য স্পষ্টভাৱে বুজাই লিখা। 20

(b) 'কথা-ভাগৱত'ৰ দ্বিতীয় স্কন্ধত ভট্টদেৱে হৰি ভক্তিৰ মহিমা কিদৰে ব্যক্ত কৰিছে, বহলাই লিখা। 15

(c) ''বৰগীতবোৰ ওখ নৈতিক আৰু আধ্যাত্মিক ভাৱৰ ওপৰত প্ৰতিষ্ঠিত।'' বাণীকান্ত কাকতিয়ে কৰা উক্ত মন্তব্যৰ তাৎপৰ্য বিচাৰ কৰা। 15

4. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ কৰা :

(a) 'গুৰুচৰিত-কথা'ৰ আধাৰত মাধৱদেৱৰ গুৰু-সেৱাৰ কেইটিমান নিদৰ্শন দাঙি ধৰি তেওঁৰ গুৰু-ভক্তিৰ পৰিচয় দিয়া। 20

Optional Province · optionalprovince.com

(b) 'ৰাজসূয়' কাব্যত ক'ত, কেনেদৰে একশৰণ ভক্তিৰ প্ৰকাশ ঘটিছে, উদাহৰণসহ আলোচনা কৰা। 15

(c) ''শৃঙ্গাৰ ৰসে যাৰ আছে ৰতি।
আকে শুনি হোক নিৰ্ম্মল মতি॥''

'কীৰ্তন-ঘোষা'ৰ 'ৰাসক্ৰীড়া' অধ্যায়ত সন্নিৱিষ্ট উক্ত পদ দুফাঁকিৰ তাৎপৰ্য বিশ্লেষণ কৰা। 15

SECTION—B

5. তলৰ পাঁচোটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *150*টা শব্দৰ ভিতৰত লিখা : 10×5=50

(a) বেজবৰুৱাই 'মোৰ জীৱন সোঁৱৰণ'ত ৰৰপেটাৰ কোনকেইটা স্মৃতিৰ বিষয়ে লিপিবদ্ধ কৰিছে, তোমাৰ ভাষাৰে লিখা।

(b) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা'ত ৰোমাণ্টিক কবিতাৰ কি কি বৈশিষ্ট্য প্ৰকাশ পাইছে, আলোচনা কৰা।

(c) 'কাৰেঙৰ লিগিৰী' নাটকৰ সুন্দৰ কোঁৱৰ চৰিত্ৰটিৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহ বিচাৰ কৰা।

(d) 'মৃত্যুঞ্জয়' উপন্যাসৰ মাজেৰে তদানীন্তন অসমীয়া সমাজৰ প্ৰতিচ্ছবি কেনেদৰে পৰিস্ফুট হৈছে, আলোচনা কৰা।

(e) নৱকান্ত বৰুৱাৰ 'সম্ৰাট' কবিতাত দৃষ্টিহীন সম্ৰাটৰ মানসিক গ্লানিৰ চিত্ৰ কেনেদৰে ফুটি উঠিছে, বিৱৰি লিখা।

6. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ কৰা :

(a) মহাকাব্যিক উপন্যাস হিচাপে 'জীৱনৰ বাটত' উপন্যাসখনিৰ এটি পৰ্যালোচনা আগবঢ়োৱা। 20

(b) 'গাঁওবুঢ়া' নাটকত ভোগমন গাঁওবুঢ়াৰ জীৱনৰ কাৰুণ্য আৰু দুৰ্দশাৰ ছবি কেনেদৰে ৰূপায়িত হৈছে, বিৱৰি লিখা। 15

(c) 'মনোমতী' উপন্যাসত মানৰ আক্ৰমণৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে, ফঁহিয়াই লিখা। 15

7. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ কৰা :

(a) ''নামঘোষাত প্ৰধানতঃ তিনিটা ভাবৰ ধাৰা মিহলি হৈ বিশাল আনন্দ-সাগৰৰ ফালে প্ৰৱাহমান হৈছে—পুণ্যশ্লোক শংকৰ-স্মৃতি, মাধৱদেৱৰ আত্ম-লঘিমা আৰু কৃষ্ণ-ভক্তি মাহাত্ম্য।'' 'নামঘোষা' প্ৰবন্ধৰ আলমত উক্ত কথাফাঁকিৰ তাৎপৰ্য ব্যাখ্যা কৰা। 20

(b) 'কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা'ত বিমল হাস্যৰস আৰু তীব্ৰ ব্যঙ্গই কেনেদৰে সহাৱস্থান কৰিছে, বুজাই লিখা। 15

(c) 'জীৱনৰ বাটত' উপন্যাসখনত সেই সময়ৰ সামাজিক জীৱনৰ কেনে চিত্ৰ ফুটি উঠিছে তাৰ আভাস দিয়া। 15

Optional Province · optionalprovince.com

8. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ কৰা :

(a) ''ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়' নামৰ উপন্যাসখনত পুৰুষ চৰিত্ৰৰ প্ৰাধান্য বিশেষভাৱে লক্ষ্য কৰা যায়।'' উক্ত কথাখিনিৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা। 20

(b) নৱকান্ত বৰুৱাৰ 'সম্ৰাট' কবিতাত আধুনিক কবিতাৰ কি কি বৈশিষ্ট্য প্ৰকাশ পাইছে, বৰ্ণনা কৰা। 15

(c) 'কাৰেঙৰ লিগিৰী' নাটকৰ শেৱালি চৰিত্ৰটিৰ আত্মত্যাগৰ মাজেদি প্ৰেমৰ মহত্ব কেনেদৰে প্ৰকাশ পাইছে, বিশদভাৱে বিশ্লেষণ কৰা। 15

★ ★ ★

Optional Province · optionalprovince.com